দৈনিক অসম
গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

GUWAHATI, WEDNESDAY, NOVEMBER 29, 2017

### অংশু জামছেনপা, শৰ্মিষ্ঠা প্ৰীতমলৈ ৰাষ্ট্ৰীয় ফেল'শ্বিপ

# হৰিশংকৰ ব্ৰহ্মালৈ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা




দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৮ নৱেম্বৰ ঃ** দেশৰ প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্ত হৰিশংকৰ ব্ৰহ্মালৈ আগবঢ়োৱা হৈছে ২০১৭ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা এই বঁটাত আছে এখন মান-পত্ৰ, এটি স্মাৰক আৰু পাঁচ লাখ টকা। লগতে প্ৰখ্যাত পৰ্বতাৰোহী অৰুণাচলৰ অংশু জামছেনপা আৰু অসমৰ তৰুণ প্ৰজন্মৰ লেখিকা শৰ্মিষ্ঠা প্ৰীতমলৈ আগবঢ়োৱা হৈছে ২০১৭ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় ফেল'শ্বিপ। এই ফেল'শ্বিপত দুয়োগৰাকীকে দুবছৰৰ বাবে ছয় লাখকৈ টকা আগবঢ়োৱা হ'ব। আজি এখন সংবাদ মেলত এই কথা সদৰি কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই। ২০১৫ চনত প্ৰৱৰ্তন কৰা কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা ইতিপূৰ্বে যশস্বী মহাকাশ বিজ্ঞানী জিতেন্দ্ৰ নাথ গোস্বামী (২০১৫) আৰু প্ৰথিতযশা দাৰ্শনিক তথা শিক্ষাবিদ ড° মৃণাল মিৰি (২০১৬)ক প্ৰদান কৰা হৈছে। আনহাতে, প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে আগবঢ়োৱা ৰাষ্ট্ৰীয় ফেল'শ্বিপ প্ৰথমবাৰলৈ আগবঢ়োৱা হৈছিল আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাক। আনহাতে, ভাৰতীয় লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ পাঁচগৰাকী মহিলা প্ৰাৰ্থীৰ প্ৰতিগৰাকীকে মূল পৰ্যায়ৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে এক লাখকৈ টকাৰ জলপানি ঘোষণা কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যৰপৰা তলৰ শ্ৰেণীৰ কৰ্মচাৰীলৈকে প্ৰত্যেকৰে মাহিলি আৰ্থিক অনুদানেৰে গঠিত 'এ পি জে আব্দুল কালাম ষ্টুডেণ্ট ৱেলফেয়াৰ মিছন'ৰ অধীনত প্ৰথমবাৰৰ বাবে এই জলপানি প্ৰদানৰ ব্যৱস্থা কৰিছে। এইবাৰ এই জলপানি লাভ কৰিছে ক্ৰমে যশোধৰা দাস, বিপাশা কলিতা, সোমা ৰয়, নম্ৰতা বৰুৱা আৰু স্বস্মা পাৰৱিনে।

অহা ১১ ডিচেম্বৰত বিশ্ববিদ্যালয়ৰ দ্বাদশ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাত থকা প্ৰাগজ্যোতি আই টি এ চেণ্টাৰত অনুষ্ঠিত হ'বলগীয়া এক অনুষ্ঠানত এই বঁটা, ফেল'শ্বিপ আৰু জলপানি আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। বিশ্ববিদ্যালয়খনৰ কৰ্মচাৰীৰ বৰঙণিৰে গঠন কৰা পুঁজিৰে ২০১৫ চনৰপৰা গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী ৰাণী উন্নয়ন খণ্ডৰ হানাপাৰা আৰু দক্ষিণ ভোলাগাঁও নামৰ দুখন গাঁও বিশ্ববিদ্যালয়খনে তুলি লৈ বিভিন্ন উন্নয়নমূলক কামত মনোনিৱেশ কৰি আহিছে বুলি ড° ডেকাই লগতে প্ৰকাশ কৰে।